# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 06-JUNE-2026
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

———————————————

ooooo

১।	বিধায়ক উন্নয়ন পুঁজিৰ ধন এইবছৰ ডেৰ কোটি টকালৈ আৰু অহা বিত্তীয় বৰ্ষৰ পৰা দুই কোটি টকালৈ বৃদ্ধি কৰাৰ বাবে ৰাজ্য চৰকাৰৰ সিদ্ধান্ত।

২।	বৰপেটা চিকিৎসা মহাবিদ্যালয় আৰু অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচনৰ মাজত কৰ্কট ৰোগ চিনাক্তকৰণৰ বাবে বুজাবুজিৰ চুক্তি স্বাক্ষৰ।

৩।	তেজপুৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দ্বিতীয় বাৰ্ষিক তেজপুৰ লিচু উৎসৱ অনুষ্ঠিত।

*আৰু*

৪।	চি বি এছ ইৰ দ্বাদশ শ্ৰেণীৰ উত্তৰ বহীত প্ৰাপ্ত নম্বৰ পৰীক্ষণ আৰু পুনৰ মূল্যায়নৰ বাবে আবেদন পত্ৰ জমা দিয়াৰ বাবে কাইলৈ অন্তিম দিন।

ooooo

অহা ৬ জুলাইৰ পৰা ২১ দিনৰ বাবে ৰাজ্য বিধানসভাৰ বাজেট অধিৱেশন অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি সন্ধিয়া অনুষ্ঠিত কেবিনেট বৈঠকৰ পাছত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে কয়, যে বাজেট গৃহীত হোৱাৰ পাছত ১ আগষ্টৰ পৰা ৰাজ্য চৰকাৰৰ প্ৰতিখন আঁচনি পুনৰ নিয়মিতভাৱে কাৰ্যকৰী কৰা হ'ব।

তেওঁ লগতে জনোৱা মতে ৰাজ্য চৰকাৰে বিধায়ক উন্নয়ন পুঁজিৰ ধন এইবছৰ ডেৰ কোটি টকালৈ আৰু অহা বিত্তীয় বৰ্ষৰ পৰা এই পুঁজি দুই কোটি টকালৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে। ডং শৰ্মাই জনোৱা অনুসৰি বিধায়ক পুঁজিৰ ২ কোটি টকাৰ ভিতৰত ১০ শতাংশ টকা অন্যান্য ব্যয়ৰ বাবে ধৰা হ'ব। অৰ্থাৎ ১ কোটি ৮০ লাখ টকা মূল পুঁজিৰ বাবে ব্যৱহাৰ হ'ব আৰু ২০ লাখ টকা অন্যান্য কামত খৰচ হ'ব। কেবিনেটে ৰাজ্য চৰকাৰৰ সকলো কৰ্মচাৰী আৰু পেঞ্চনাৰৰ মৰগীয়া বানচ বৰ্তমানৰ ৫৮ শতাংশৰ পৰা বৃদ্ধি কৰি ৬০ শতাংশ কৰাত অনুমোদন জনায়। এই সিদ্ধান্তৰ ফলত ৮ লাখৰো অধিক কৰ্মচাৰী আৰু পেঞ্চনাৰ উপকৃত হ'ব।

কেবিনেটে ৰাজ্যখনৰ দ্বিতীয় ৰাজধানী হিচাপে গঢ়ি তোলা ডিব্ৰুগড়ত উন্নয়ন পৰিষদ গঠন কৰাৰ সিদ্ধান্ত লয়। এই পৰিষদৰ অধীনত নগৰখনৰ ২০ কিলোমিটাৰ ব্যাসাৰ্ধলৈকে উন্নয়নমূলক কাম-কাজ কৰা হ'ব। ইয়াৰ বাবে ৫০০ কোটি টকা ধাৰ্য কৰাৰ লগতে ডিব্ৰুগড় সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনক দ্বিতীয় ৰাজ্যিক ৰাজধানী অঞ্চল উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ হিচাপে দায়িত্ব দিয়াত অনুমোদন জনায়। উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ হিচাপে স্থানীয় বিধায়কগৰাকীয়ে কাৰ্যনিৰ্বাহ কৰাৰ লগতে ৰাজ্য চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ সচিবগৰাকী উপাধ্যক্ষ হিচাপে থাকিব।

ooooo

কৰ্কট ৰোগ চিনাক্তকৰণৰ বাবে বৰপেটা চিকিৎসা মহাবিদ্যালয় আৰু অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচনৰ মাজত আজি এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ হয়। এই চুক্তি অনুসৰি দুয়োটা প্ৰতিষ্ঠানে কৰ্কট ৰোগ চিনাক্তকৰণ

আৰু জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে এতিয়াৰে পৰা উমৈহতীয়াভাৱে কাম কৰিব। কৰ্কট ৰোগ আগতীয়াকৈ চিনাক্তকৰণৰ বাবে মানুহৰ স্বাস্থ্য পৰীক্ষা কৰা, শিবিৰ স্থাপন, জনসাধাৰণৰ মাজত সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ আদি কামবোৰ ইমানদিনে অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেছনে এককভাৱে কৰিছিল যদিও এতিয়াৰে পৰা বৰপেটা চিকিৎসা মহাবিদ্যালয়ে তেওঁলোকক সহযোগিতা আগবঢ়াব। এই ক্ষেত্ৰত চিকিৎসা মহাবিদ্যালয়খনৰ কমিউনিটী মেডিচিন বিভাগ বিশেষ দায়িত্বত থাকিব। চুক্তি স্বাক্ষৰ কৰি অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেছনৰ মুখ্য পৰিচালক অৱসৰপ্ৰাপ্ত মেজৰ জেনেৰেল ড° জয়প্ৰকাশ যাদৱে কয়, যে ৰাজ্যৰ ১ কোটি লোকৰ স্বাস্থ্য পৰীক্ষাৰ অভিযান অব্যাহত আছে। এই লক্ষ্য পূৰণৰ গতিক আজি স্বাক্ষৰিত চুক্তিখনে অধিক ত্বৰান্বিত কৰিব বুলি শ্ৰীযাদৱে মন্তব্য কৰে। বৰপেটা চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ ৰমেন তালুকদাৰে চুক্তি স্বাক্ষৰ কৰি এইদৰে কয় ঃ

**-বাইট-**

ooooo

তদাৰকী আৰু দুৰ্নীতি নিবাৰণী সঞ্চালকালয়ে উৎকোচ লৈ গ্ৰেপ্তাৰ হোৱা অসম অসামৰিক সেৱাৰ বিষয়া লাচিত কুমাৰ দাসৰ বিৰুদ্ধে আয়ৰ সৈতে সামঞ্জস্যহীন সম্পত্তি অৰ্জনৰ গোচৰ ৰুজু কৰিছে। তদন্তকাৰী সংস্থাটোৱে অভিযুক্ত দাসৰ বিৰুদ্ধে ২২/২০২৬ নম্বৰত গোচৰ ৰুজু কৰিছে। উল্লেখযোগ্য যে ৪৫ হাজাৰ টকা উৎকোচ লৈ গ্ৰেপ্তাৰ হোৱা দাসৰ বাসগৃহৰ পৰা তদাৰকী আৰু দুৰ্নীতি নিবাৰণী সঞ্চালকালয়ে ডেৰ কোটি টকাৰো অধিক নগদ ধন, বুজন পৰিমাণৰ সোণৰ অলংকাৰকে ধৰি ভালেমান সামগ্ৰী লাভ কৰিছে। ইয়াৰ পাছতে সঞ্চালকালয়ে উৎকোচ লোৱা গোচৰটোৰ উপৰি আয়ৰ সৈতে সামঞ্জস্যহীন সম্পত্তি অৰ্জনৰ গোচৰো ৰুজু কৰে।

ooooo

তেজপুৰত আজিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দ্বিতীয় বাৰ্ষিক তেজপুৰ লিচু উৎসৱ অনুষ্ঠিত হৈছে। তেজপুৰৰ বিশ্ববিখ্যাত লিচুক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত জনপ্ৰিয় কৰিবলৈ আৰু নতুন প্ৰজন্মক লিচু খেতি কৰাৰ বাবে উৎসাহিত কৰিবলৈ এই উৎসৱৰ আয়োজন কৰা হৈছে। শোণিতপুৰ জিলা প্ৰশাসনে ভৌগোলিক স্বীকৃতি লাভ কৰা তেজপুৰৰ সুস্বাদু লিচু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ উপহাৰ হিচাপে প্ৰেৰণ কৰিছে। প্ৰধানমন্ত্ৰীলৈ জিলা প্ৰশাসনে প্ৰেৰণ কৰা এই বিশেষ উপহাৰে তেজপুৰৰ লিচুক ৰাষ্ট্ৰীয় পৰ্যায়ত অধিক জনপ্ৰিয় কৰাৰ লগতে ইয়াৰ লগত জড়িত কৃষকসকলক উৎসাহিত কৰিব বুলি আশা প্ৰকাশ পাইছে। তেজপুৰৰ লিচুৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে ইয়াৰ উৎপাদন বৃদ্ধিৰ লক্ষ্যৰে এই উৎসৱৰ আয়োজন কৰা হৈছে বুলি বিধায়ক পৃথ্বীৰাজ ৰাভাই প্ৰকাশ কৰে। তেওঁ লিচুৰ উৎপাদন বৃদ্ধিৰ বাবে ঘৰে ঘৰে লিচু শীৰ্ষক অভিযান লোৱা বুলিও জানিবলৈ দিয়ে।

**বাইট (পৃথ্বীৰাজ ৰাভা)**

তেজপুৰত উন্নত জাতৰ লিচুৰ প্ৰথমগৰাকী ৰোপক সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঁই বৰুৱাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি আৰু বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা এই উৎসৱৰ সৈতে সংগতি ৰাখি লিচু সম্পৰ্কীয় বিশেষ তথ্যচিত্ৰ প্ৰদৰ্শন, বিশেষ গ্ৰন্থ উন্মোচন আৰু লিচু কৃষকসকলক সম্বৰ্ধনা জ্ঞাপনৰ লগতে **খাদ্য প্ৰযুক্তি আৰু লিচু** শীৰ্ষক বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। তদুপৰি এই উৎসৱৰ অংশ হিচাপে লিচু বাগিচা পৰিভ্ৰমণ কাৰ্যসূচী, লিচু ৰন্ধন শৈলীৰ আস্বাদন আৰু প্ৰদৰ্শন শীৰ্ষক ব্যতিক্ৰমী কাৰ্যসূচীৰ লগতে সংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা বুলি উদ্যোক্তাসকলে জনাইছে।

তেজপুৰ জিলা পুথিভঁৰাল প্ৰাংগণত অনুষ্ঠিত এই লিচু উৎসৱত কমেও ৫০ গৰাকী প্ৰদৰ্শক, ৩০ গৰাকী কৃষক আৰু কৃষক উৎপাদক সংগঠন তথা ২০ গৰাকী দেশীয় আৰু আন্তঃৰাষ্ট্ৰীয় ক্ৰেতাই অংশগ্ৰহণ কৰিছে।

শোণিতপুৰ জিলা প্ৰশাসনৰ লগতে জিলা কৃষি বিভাগ, তেজপুৰ কৃষি বিজ্ঞান কেন্দ্ৰ, তেজপুৰ বিশ্ববিদ্যালয়, অসম কৃষি বিশ্ববিদ্যালয়কে ধৰি ভালেসংখ্যক অনুষ্ঠান প্ৰতিষ্ঠানে এই উৎসৱত অংশগ্ৰহণ কৰিছে।

০০০০০

চি বি এছ ইয়ে দ্বাদশ শ্ৰেণীৰ উত্তৰ বহীত প্ৰাপ্ত নম্বৰ পৰীক্ষণ আৰু পুনৰ মূল্যায়নৰ বাবে আবেদন পত্ৰ জমা দিয়াৰ বাবে কাইলৈৰ দিনটো অন্তিম দিন হিচাপে ধাৰ্য কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত চি বি এছ ইয়ে কয়, যে শিক্ষাৰ্থীসকলে কাইলৈ মাজনিশা পৰ্যন্ত আবেদন পত্ৰ দাখিল কৰিব পাৰিব। শিক্ষাৰ্থীৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি চি বি এছ ই কৰ্তৃপক্ষই এই সিদ্ধান্ত লোৱা বুলি প্ৰকাশ কৰিছে। ইয়াৰ পূৰ্বে আবেদন পত্ৰ দাখিলৰ অন্তিম দিন ৬ জুন বুলি ঘোষণা কৰা হৈছিল।

০০০০০

তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলত বনৰীয়া হাতীৰ আক্ৰমণত প্ৰাণ হেৰুওৱা দুজন লোকৰ পৰিয়াললৈ ৰাজ্য চৰকাৰে তাৎক্ষণিকভাৱে আৰ্থিক সাহায্য প্ৰদান কৰিছে। অলপতে বনৰীয়া হাতীৰ আক্ৰমণত নিহত বগাজুলি কুমগুৰিৰ কৰ্টেং মুছাহাৰী আৰু আঙাৰকাটা শিমলিবাৰী গাঁৱৰ পাউলোচ বসুমতাৰীৰ বাসগৃহত বিটিচিৰ উপাধ্যক্ষ বিজিত গৌৰা নাৰ্জাৰী আৰু বন বিভাগৰ এটা উচ্চস্তৰীয় দল উপস্থিত হৈ পৰিয়াল দুটাক সমবেদনা জ্ঞাপন কৰে। লগতে চৰকাৰী নিয়ম অনুসৰি ৪ লাখ টকাকৈ এককালীন ক্ষতিপূৰণৰ চেক প্ৰদান কৰে। ইপিনে অঞ্চলটোত উপদ্ৰৱ চলাই থকা বনৰীয়া হাতীটোক কিদৰে বিভাগীয় প্ৰক্ৰিয়াৰে শীঘ্ৰে স্থানান্তৰ কৰিব পাৰি সেই সন্দৰ্ভত বন বিভাগৰ সৈতে উপাধ্যক্ষগৰাকী আলোচনাত মিলিত হয়। উল্লেখযোগ্য যে চলিত বছৰত তামুলপুৰৰ ভাৰত-ভূটান সীমান্তত বনৰীয়া হাতীৰ আক্ৰমণত ৫ জন লোকে প্ৰাণ হেৰুৱাইছে।

০০০০০

বাৰিষাৰ সময়ছোৱাত সম্ভাব্য বান পৰিস্থিতিৰ সন্মুখীন হ'ব পৰাকৈ বাক্সা জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ প্ৰস্তুতি সম্বন্ধীয় এখন গুৰুত্বপূৰ্ণ বৈঠক আজি অনুষ্ঠিত হয়। জিলা আয়ুক্ত কিমনেই চাংছানৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা এই বৈঠকত সকলো বিভাগৰ বিষয়ববীয়াসকলে প্ৰস্তুতিৰ লেখ দাঙি ধৰে। আয়ুক্তগৰাকীয়ে স্পৰ্শকাতৰ এলেকাসমূহত সকলো ধৰণৰ প্ৰয়োজনীয় ব্যৱস্থা আৰু বস্তু মজুত থকাতো নিশ্চিত কৰিবলৈ বিষয়াসকলক নিয়মীয়াকৈ ক্ষেত্ৰভিত্তিক পৰিদৰ্শন কৰিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত জনোৱা হয় যে, জৰুৰীকালীন সময়ত ব্যৱহাৰ কৰিবপৰাকৈ ১৫টা সাহায্য শিবিৰ ইতিমধ্যে চিনাক্ত কৰি সাজু কৰি ৰখা হৈছে।

০০০০০

বৰপেটা জিলা ক্ৰীড়া বিভাগৰ উদ্যোগত জিলাখনত তৃণমূল পৰ্যায়ত ফুটবলৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লক্ষ্যৰে ৰামৰায় ষ্টেডিয়ামত এটা বিনামূলীয়া ফুটবল প্ৰশিক্ষণ শিবিৰ আজি আৰম্ভ হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত বৰপেটাৰ জিলা উন্নয়ন আয়ুক্ত গীতালি দুৱৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকি শিবিৰটো মুকলি কৰে। উদ্বোধনী অনুষ্ঠানত জিলাখনৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তি, প্ৰাক্তন ক্ৰীড়াবিদ তথা ক্ৰীড়া পেন্সনপ্ৰাপক উপস্থিত থাকে। শিবিৰটো প্ৰায় ৭০ গৰাকী কিশোৰ তথা যুৱ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে।

০০০০০

সমাপ্ত